
# ঘৰত, বিপদৰ সম্ভাৱনাত

## প্ৰাপ্ত তথ্যৰ সাংৰাংশ

**ঘৰত, বিপদৰ সম্ভাৱনাত** নামৰ এই দ্ৰুত জৰীপ হৈছে কভিড-১৯ মহামাৰীৰ সময়ত পাৰিবাৰিক হিংসাৰ ঘটনাৰ প্ৰতিকাৰৰ পৰিৱেশ ব্যৱস্থাৰ বুজ লোৱাৰ এক প্ৰয়াস। এই জৰীপ লাম-লিনটি চিটাৰা নেৰালু (এল চি এন)ৰ মুঠ আঠ সদস্য সংস্থাৰ দ্বাৰা ৭ খন ৰাজ্য ব্যাপী কৰা হৈছে। এই জৰীপ নিৰ্যাতনৰ উত্তৰজীবী মহিলা আৰু ৰূপান্তৰকামী ব্যক্তিৰ লগতে সেৱা প্ৰদানকাৰী সংস্থাৰ কাৰ্যকৰ্তাৰ লগত কৰা টেলিফোন সাক্ষাৎকাৰৰ ভিত্তিত কৰা হৈছে।


এই ৰূপৰেখা গৱেষণাৰ পৰা বৰ্তমানলৈকে লাভ কৰা মূল অন্তৰ্দৃষ্টিৰ সাৰাংশখিনি গোটোৱাৰ বাবে কৰা আমাৰ প্ৰচেষ্টা। পূৰ্ববৰ্তী টোকাসমূহত কোনো এক বিশেষ সেৱাপ্ৰদানকাৰীৰ বিষয়ে গুৰুত্ব আৰোপ কৰাৰ বিপৰীতে এই ৰূপৰেখাই সকলো সেৱাপ্ৰদানকাৰীৰ ওপৰত ভিত্তি কৰি সামগ্ৰিকভাৱে কাম কৰিছে। ই বিশেষ কিছুমান জটিল বিষয়ৰ ওপৰত বহল দৃষ্টিকোণেৰে চাই, পৰিৱেশ ব্যৱস্থাপনাৰ পৰা অন্তৰ্দৃষ্টি লাভৰ বাবে অনুসন্ধান কৰে।




এল চি এন (লাম-লিনটি চিটাৰা নেৰালু) এক ৰাষ্ট্ৰীয় যোগসূত্ৰ যিয়ে নিৰ্যাতনৰ উত্তৰজীৱীৰ বাবে উন্নত আৰু অধিকাৰ-ভিত্তিক আশ্ৰয় সেৱাৰ হকে কাম কৰে।

# ঘৰত, বিপদৰ সম্ভাৱনাত


## মুঠ উত্তৰদাতা ঃ ১৩১




*১৮ বছৰতকৈ অধিক বয়সৰ

এল চি এন (লাম-লিনটি চিটাৰা নেৰ্বালু) এক ৰাষ্ট্ৰীয় যোগসূত্ৰ যিয়ে নিৰ্যাতনৰ উত্তৰজীৱীৰ বাবে
উন্নত আৰু অধিকাৰ-ভিত্তিক আশ্ৰয় সেৱাৰ হকে কাম কৰে।

# তলাবদ্ধৰ সময়চোৱাত পাৰিবাৰিক নিৰ্যাতন





* ১ জানুৱাৰী আৰু ৩১ মাৰ্চ ২০০২ (প্ৰাক- তলাবদ্ধ)ৰ সময়চোৱাৰ ভিতৰত হোৱা পাৰিবাৰিক হিংসাৰ সংখ্যা

** ২৫ মাৰ্চ আৰু ২৪ জুন ২০০২ (তলাবদ্ধৰ সময়ত)ৰ সময়চোৱাৰ ভিতৰত হোৱা পাৰিবাৰিক হিংসাৰ সংখ্যা

এল চি এন (লাম-লিনটি চিটাৰা নেৰালু) এক ৰাষ্ট্ৰীয় যোগসূত্ৰ যিয়ে নিৰ্যাতনৰ উত্তৰজীবীৰ বাবে
উন্নত আৰু অধিকাৰ-ভিত্তিক আশ্ৰয় সেৱাৰ হকে কাম কৰে।

# ঘৰত, বিপদৰ সম্ভাৱনাত






টোকা ঃ কিছুমান উত্তৰ দাতাই শিশুৰ সৈতে বিবাহ-পূৰ্ব সম্পৰ্ক বা বাল্য-বিবাহৰ কাৰণে হোৱা হিংসাৰ বিষয়ে উল্লেখ কৰে।

এল চি এন (লাম-লিনটি চিটাৰা নেৰালু) এক ৰাষ্ট্ৰীয় যোগসূত্ৰ যিয়ে নিৰ্যাতনৰ উত্তৰজীৱীৰ বাবে
উন্নত আৰু অধিকাৰ-ভিত্তিক আশ্ৰয় সেৱাৰ হকে কাম কৰে।

# ঘৰত, বিপদৰ সম্ভাৱনাত

## সৰ্বাধিক অভিযুক্ত ঃ অপৰাধী

পুত্ৰ
জন্মসূত্ৰী পৰিয়াল
ভাতৃ
স্বামী
শহুৰৰ পৰিয়াল
পূৰ্ব স্বামী
সংগী

## হিংসাৰ প্ৰকৃতি


যৌন
শাৰিৰীক
মৌখিক
আবেগিক
চাইবাৰ-অপৰাধ
পৰিত্যাগ
অৰ্থনৈতিক
বৈবাহিক ধৰ্ষণ

এল চি এন (লাম-লিনটি চিটাৰা নেৰালু) এক ৰাষ্ট্ৰীয় যোগসূত্ৰ যিয়ে নিৰ্যাতনৰ উত্তৰজীৱীৰ বাবে উন্নত আৰু অধিকাৰ-ভিত্তিক আশ্ৰয় সেৱাৰ হকে কাম কৰে।

# প্ৰযুক্তিৰ দ্বাৰা প্ৰভাৱ ঃ এক সংমিশ্ৰিত অভিজ্ঞতা

## অংশীদাৰ সকলৰ প্ৰযুক্তিৰ ওপৰত আস্থা

- সুৰক্ষা বিষয়াৰ অনলাইন পৰামৰ্শ প্ৰদান আৰু জিলা আইন সেৱা প্ৰাধিকাৰীৰ আইনগত সাহায্য
- ভিডিঅ’ মেলৰ জৰিয়তে আদালতৰ নিৰ্দেশ



## নিৰ্যাতনৰ উত্তৰজীৱীয়ে অসুচলভাৱে লাভ কৰা প্ৰযুক্তি:

- নিৰ্যাতনৰ উত্তৰজীৱীসকলে জনায় যে তেওঁলোকৰ ফোনৰ উপলব্ধতা আৰু গোপনীয়তা অতি কম অথবা নায়েই
- অনলাইন আইনগত ব্যৱস্থাৰ বিষয়ে একেবাৰে সজাগতা বিহীন অথবা অপৰিচিত

“লকডাউনৰ সময়ত আমি নিতৌ ২৪ ঘণ্টাই সেৱা আগবঢ়াইছোঁ। সেয়ে আমি বহুত বাৰ্তাও লাভ কৰিছিলোঁ। বহু সময়ত আমি ফোনযোগে পৰামৰ্শ প্ৰদান কৰিছিলোঁ যদিও ই ১০০% কাম কৰিছিল নে নাই আমি পতিয়ন যাব পৰা নাই। প্ৰথমে স্বামী, তাৰ পাছত মহিলাগৰাকী . . . . . আৰু এনেদৰে প্ৰায় ৰাতিলৈকে কথা চলিছিল। একোটা কথোপকথনে প্ৰায় ১ ঘণ্টা সময় লয় আৰু আমি সঁচাকৈয়ে ভাগৰুৱা হৈ যাওঁ, নিজৰ যত্ন ল’বলৈকে অপাৰগ হৈ পৰো।”

সুৰক্ষা বিষয়া, তামিলনাডু

“ভিতৰুৱা অঞ্চলসমূহত অনলাইন সভা অনুষ্ঠিত কৰা সঁচাকৈয়ে অসুবিধাজনক। আমি প্ৰত্যেকৰে যে স্মাৰ্ট ফোন থাকিব এই আশাও কৰিব নোৱাৰোঁ।”


এন জি অ’, ঝাৰখণ্ড

# তলাবদ্ধৰ সময়ত লোৱা বিশেষ বিধিসমূহ




২৪ X ৭ অনলাইন পৰামৰ্শ দাতা আৰু আইন সাহায্যৰ দ্বাৰা সঁহাৰি

২৪ X৭ সুৰক্ষা বিষয়াৰ উপস্থিতি



জিলা আইন সেৱা প্ৰাধিকাৰীয়ে তেওঁলোকৰ ফোন নং আৰু ই-মেইল ঠিকনাসমূহ অ' এচ চি আৰু জিলা উপায়ুক্তৰ কাৰ্যালয়ত প্ৰদৰ্শিত কৰি থাকে। (কৰ্ণাটক)

সমাজকল্যাণ বিভাগে উদ্ধাৰ কাৰ্যৰ কাৰণে সুৰক্ষা বিষয়াক গাড়ী আগবঢ়াই দিয়ে। (তামিলনাডু)



কহিমা আৰু ডিমাপুৰৰ নিলগীয়া কেন্দ্ৰসমূহত ঋতুস্ৰাৱ সম্বন্ধীয় অনাময় সামগ্ৰীৰ বিতৰণ (নাগালেণ্ড)



মহামাৰী-বিশেষ মানবিশিষ্ট কাৰ্যবিধি (এচ অ' পি)+২৪ X ৭ সহায়কাৰী দুৰভাষ সেৱা আৰু সজাগতা সৃষ্টি (অসম)



ব্যক্তিগত যোগাযোগ নম্বৰ সহিতে পুস্তিকা বিতৰণ (মেঘালয়)




২৪ X ৭ সহায়কাৰী দুৰভাষ সেৱা আৰু আইনগত পৰামৰ্শ প্ৰদান

আইন সজাগতা শিবিৰ (নিৰ্মাণখণ্ডৰ কৰ্মীক অন্তৰ্ভুক্ত কৰি) অৰ্দ্ধআইনী স্বেচ্ছাসেৱকৰ দ্বাৰা (দিল্লী)




মানৱ সৰবৰাহৰ সৈতে জড়িত এক সহায়কাৰী দুৰভাষ বিপদগ্ৰস্ত মহিলাৰ সহায়কাৰী দুৰভাষ সেৱালৈ ৰূপান্তৰ (ঝাৰখণ্ড)

## অংশীদাৰসকলৰ মাজত স্পষ্টতাৰ অভাৱ




**আশ্ৰয় গৃহ**

নিৰ্যাতনৰ উত্তৰজীৱীক আশ্ৰয় প্ৰদান?
নিলগীয়াকৰণ কেনেকৈ?
(দিল্লী, নাগালেণ্ড)



**অধিবক্তা**

অনলাইন গোচৰ কেনেকৈ
ৰুজু কৰা যায়?
(দিল্লী)



**নিৰ্যাতনৰ উত্তৰজীৱী**

মোৰ ৰক্ষণাবেক্ষণৰ
গোচৰৰ শুনানি কেতিয়া
হ'ব? (দিল্লী)



**একক অৱস্থান কেন্দ্ৰ**

নিৰ্যাতনৰ উত্তৰজীৱীৰ
ক'ভিদ-১৯ ৰ পৰীক্ষা
কোনে কৰিব? (অসম)

এল চি এন (লাম-লিনটি চিটাৰা নেৰালু) এক ৰাষ্ট্ৰীয় যোগসূত্ৰ যিয়ে নিৰ্যাতনৰ উত্তৰজীৱীৰ বাবে
উন্নত আৰু অধিকাৰ-ভিত্তিক আশ্ৰয় সেৱাৰ হকে কাম কৰে।

# ঘৰত, বিপদৰ সম্ভাৱনাত



## কৰ্ত্তন কৰা সেৱাসমূহ

**মহিলাৰ এন জি অ'**

সমূহে ক্ষেত্ৰ-কৰ্ম বন্ধ ৰাখিব লগা হ'ল (দিল্লী)

**আশ্ৰয় গৃহ**

সমূহে আবাসীৰ স্বাস্থ্য সম্বন্ধীয় প্ৰয়োজন পূৰণ কৰিব পৰা নাই (তামিলনাডু)

**আৰক্ষী**

ক'ভিড-১৯ সংক্ৰান্তীয় কৰ্ত্তব্যৰ বাবে অধিক ব্যস্ত হৈ পৰিল

**একক অৱস্থান কেন্দ্ৰ**

যাতায়তৰ অসুবিধাৰ বাবে নিৰ্যাতনৰ উত্তৰজীবী এগৰাকীৰ লগত আৰক্ষী চকীলৈ যাব পৰা নহ'ল (অসম)

**ৰাজ্যিক মহিলা আয়োগ**

গোচৰৰ শুনানি পিছুৱাব লগা হ'ল (অসম)
আৰু জিলাসমূহলৈ ভ্ৰমণ কৰাত অসুবিধা হ'ল (নাগালেণ্ড)

**সমাজ কল্যাণ বিভাগ**

ক'ভিড-১৯ৰ দায়িত্বৰ কাৰণে বিষয়াসকলে (সুৰক্ষা বিষয়াকে ধৰি) বহু সময়ত পাৰিবাৰিক নিৰ্যাতনৰ গোচৰ আওকাণ কৰিব লগা হ'ল (অসম)

**সহায়কাৰী দূৰভাষ সেৱা**

অন্য জিলাত থকা নিৰ্যাতনৰ উত্তৰজীবীৰ ওচৰ চাপিব পৰা নগ'ল (ঝাৰখণ্ড) আৰু অন্যান্য অংশীদাৰৰ পৰা সহায় খুব কমেই পোৱা গ'ল / নগ'ল

এল চি এন (লাম-লিনটি চিটাৰা নেৰালু) এক ৰাষ্ট্ৰীয় যোগসূত্ৰ যিয়ে নিৰ্যাতনৰ উত্তৰজীবীৰ বাবে উন্নত আৰু অধিকাৰ-ভিত্তিক আশ্ৰয় সেৱাৰ হকে কাম কৰে।

# আৰক্ষীৰ সহাঁৰি দ্বৈত স্বৰূপ

## সহায়কাৰী দূৰভাষ সেৱা

" মুৰৰ পৰা তেজ ওলাই থকা এগৰাকী মহিলাক মাস্ক পিন্ধি আহিবলৈ কৈ ঘুৰাই পঠায়। এগৰাকী মহিলাক পুনৰ যোগাযোগ নকৰিবলৈ আৰু অন্য এগৰাকীক পৰিস্থিতিৰ লগত আপোচ কৰি লববলৈ উপদেশ দিয়ে।"

দিল্লী

## আশ্ৰয় গৃহ

অধিক সংখ্যকেই আৰক্ষীৰ সহাঁৰি পাইছে, তেওঁলোকে যাতায়ত, খাদ্যসামগ্ৰী, ঔষধ যোগান আৰু ক'ভিড-১৯ৰ পৰীক্ষাৰ ক্ষেত্ৰত সহায় কৰিছে।

## নিৰ্যাতনৰ উত্তৰজীৱী

মোক কোৱা হৈছিল, "মানুহ মৰি আছে, আৰু তুমি এনে এক নগণ্য বিষয় লৈ গোচৰ দিব আহিছা"।

৫৩ বছৰীয়া এগৰাকী গৃহ কৰ্মী, দিল্লী

## এন জি অ'

"তলাবন্ধৰ সময়ত মহিলাৰ কাৰণে আৰক্ষী থানালৈ যোৱাটো খুউব অসুবিধাজনক আছিল। ইয়াৰ পিছতো আৰক্ষীয়ে তেওঁলোকক পুনৰ পিছদিনা আহিবলৈ কয়। কিছুমান গোচৰত আৰক্ষীয়ে মহিলাক তলাবন্ধ শেষ হোৱাৰ লগে লগে মাকৰ ঘৰলৈ গুছি যাবলৈ উপদেশ দিয়ে। "

দিল্লী

এল চি এন (লাম-লিনটি চিটাৰা নেৰাল্) এক ৰাষ্ট্ৰীয় যোগসূত্ৰ যিয়ে নিৰ্যাতনৰ উত্তৰজীৱীৰ বাবে উন্নত আৰু অধিকাৰ-ভিত্তিক আশ্ৰয় সেৱাৰ হকে কাম কৰে।

## প্ৰত্যাহ্বান

### মহামাৰীজনিত প্ৰত্যাহ্বান

পি পি ই কিট আৰু যাতায়াতৰ অভাৱ, নিলগীকৰণৰ সুবিধাৰ অভাৱৰ কৰাণে ভৰ্তিকৰণ নাকচ, শাৰিৰীক দূৰত্বৰ অভাৱ, আৰক্ষীৰ দুৰ্বল সহাঁৰি, কৰ্মচাৰীৰ অভাৱ

### আশ্ৰয় গৃহ

মান সম্পন্ন কাৰ্যবিধি (এচ অ' পি)ৰ অভাৱ, অপৰ্যাপ্ত ঔষধ, ছয়খন ৰাজ্যতেই ৰূপান্তৰকামী ব্যক্তিৰ কাৰণে সুৰক্ষিত স্থানৰ অভাৱ

### সহায়কাৰী দূৰভাষ সেৱা

নিৰ্যাতনৰ উত্তৰজীৱীৰ হাতত ফোন নাই

### এন জি অ'

ক'ভিড-১৯ ৰ লগত জড়িত সাহায্য কৰ্মৰ কাৰণে পৰ্যাপ্ত পুঁজিৰ অভাৱ, অংশীদাৰসকলৰ মাজত সমন্বয়ৰ অভাৱ।

### নিৰ্যাতনৰ উত্তৰজীৱী

১৮১ৰ বিষয়ে অজ্ঞাত, আৰক্ষীৰ পৰা সাৱধানে থকা ১৮১, ১০৯১ আৰু ১০০ ৰ পৰা সহাঁৰিৰ অভাৱ

### সুৰক্ষা বিষয়া

সুৰক্ষা বিষয়াৰ অভাৱ

### বিশেষ আৰক্ষী কোষ

প্ৰশিক্ষণপ্ৰাপ্ত টেলি-পৰামৰ্শদাতাৰ অভাৱ

### একক অৱস্থান কেন্দ্ৰ

চিকিৎসক আৰু আৰক্ষীৰ অভাৱ

এই শৃংখলাত অন্তৰ্ভূক্ত ১০ অংশীদাৰ হৈছে ঃ

**আশ্ৰয় গৃহ** - এক এন জি অ'/ চৰকাৰ / ব্যক্তিগতভাৱে / পৰিচালিত অস্থায়ীভাৱে পুঁজি আৱণ্টিত, সুৰক্ষিত স্থান তথা সহায় য'ত হিংসা আৰু নিপীড়ণৰ পৰা আঁতৰি থাকিব পাৰি।

**এন জি অ'** - মানৱ অধিকাৰ আৰু সুৰক্ষাক লৈ কাম কৰি থকা মুনাফা বিহীন অনুষ্ঠান।

**সহায়কাৰী দূৰভাষ সেৱা** - এনে এক সেৱা য'ত দূৰভাষৰ জৰিয়তে তথ্য, পৰামৰ্শ আৰু উপদেশ প্ৰদান কৰা হয়।

**সুৰক্ষা বিষয়া** - নিৰ্যাতিতাক আইনী সহায়, আৰক্ষী আৰু অন্য সাহায্য সেৱাৰ সৈতে সংযোগ স্থাপন কৰোৱাৰ বাবে চৰকাৰৰ দ্বাৰা নিয়োজিত চৰকাৰী বিষয়া।

**জিলা আইন সেৱা অধিকাৰী** - অন্যান্য লোকৰ উপৰিও লিংগ ভিত্তিক হিংসাৰ উত্তৰজীৱীক বিনামূলীয়া আইন সাহায্য প্ৰদান কৰে।

**একক অৱস্থান কেন্দ্ৰ (অ' এচ চি)** - এওঁলোকে যৌন হিংসা, হাৰাশাস্তি, উৎপীড়ন, পাৰিবাৰিক হিংসা, মানৱ সৰবৰাহ, সন্মানজনিত অপৰাধ, এচিড আক্ৰমণ, ডাইনী হত্যা আদিৰ দ্বাৰা নিৰ্যাতিতা মহিলাক সংহত বিশেষ সেৱা ৰাজি (স্বাস্থ্য, আইনী আৰু মানসিক সমৰ্থন) প্ৰদান কৰে।

**চিকিৎসা বিষয়া** - পাৰিবাৰিক হিংসাৰ উত্তৰজীৱীৰ শাৰিৰীক পৰীক্ষা কৰাৰ দায়িত্বত এওঁলোক নিয়োজিত। এওঁলোকে চিকিৎসা আইন সম্বন্ধীয় গোচৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**বিশেষ আৰক্ষী কোষ** - এওঁলোকে আৰক্ষী থানাত নিয়োজিত মহিলা আৰক্ষী বিষয়া আৰু পৰামৰ্শদাতাসকলৰ দ্বাৰা প্ৰৱন্ধিত বিশেষভাৱে সজ্জিত মেজৰ যোগেদি মহিলাৰ বিৰুদ্ধে হোৱা নিৰ্যাতনৰ ওপৰত গুৰুত্ব দিয়ে।

**ৰাজ্যিক মহিলা আয়োগ** - নাৰী অধিকাৰৰ সুৰক্ষা আৰু প্ৰসাৰৰ কাৰণে গঠিত এক আইনসিদ্ধ গোট যি মহিলাৰ বিৰুদ্ধে হোৱা হিংসা আৰু শোষণৰ গোচৰত হস্তক্ষেপ কৰে।

**সমাজ কল্যাণ বিভাগ** - বাধাগ্ৰস্ত ব্যক্তিৰ কাৰণে কল্যাণকামী কাৰ্যসূচী আৰু সেৱাৰ ব্যৱস্থা কৰাৰ লগতে আবাসিক যতন গৃহ আৰু অনা-প্ৰতিষ্ঠানিক সেৱাৰ এক অন্তৰ্জালৰ জৰিয়তে বয়স্কা আৰু বিপদগ্ৰস্ত মহিলাক সামাজিক নিৰাপত্তা আগবঢ়ায়।

এল চি এন (লাম-লিনটি চিটাৰা নেৰালু) এক ৰাষ্ট্ৰীয় অন্তৰ্জাল যিয়ে নিৰ্যাতনৰ উত্তৰজীবীৰ বাবে
উন্নত আৰু অধিকাৰ-ভিত্তিক আশ্ৰয় সেৱাৰ হকে কাম কৰে।

Contact: lcnsecretariat@jagori.org

Design and layout: Neelima P Aryan | bluinker.in